NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১।　লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে। এই পৰ্যায়ত বিয়লি ৫ বজালৈ ৫৭ দশমিক ৯-৩ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

২।　দেশত লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩।　ভাৰতীয় অভিনেত্ৰী অনাসুয়া সেনগুপ্তা ফ্ৰান্সত অনুষ্ঠিত ৭৭ সংখ্যক কাঁ চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে পৰিগণিত হৈছে।

৪।　ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, পূব-মধ্য বংগোপ সাগৰৰ ওপৰত সৃষ্টি হোৱা নিম্নচাপ আজি ঘূৰ্ণীবতাহলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা আছে।

*আৰু*

৫।　অলিম্পিকত পদক বিজেতা পি ভি সিন্ধুৱে কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

oooooooo

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে। এই পৰ্যায়ত ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮টা সমষ্টিত ভোটগ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ ১৪টা, হাৰিয়ানাৰ ১০, বিহাৰৰ ৮টা, পশ্চিমবংগৰ ৮টা, দিল্লীৰ ৭টা, ওড়িশাৰ ৬টা, ঝাৰখণ্ডৰ ৪টা আৰু জম্মু কাশ্মীৰৰ এটা সমষ্টি আছে। ষষ্ঠ পৰ্যায়ত বিয়লি ৫ বজালৈ ৫৭ দশমিক ৯-৩ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

ভোটগ্ৰহণৰ সামৰণি পৰাৰ লগে লগে এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৮৮৯গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্যও  ই ভি এম বন্দী হ'ল। ষষ্ঠ পৰ্যায়ত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ ভিতৰত মানেকা গান্ধী, ধৰ্মেন্দ্ৰ প্ৰধান, মনোহৰ লাল খট্টৰ, মনোজ তিৱাৰী, বাঁসুৰী স্বৰাজ আদি। কংগ্ৰেছৰ উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত আছে-- দীপেন্দৰ সিং হুদা, কুমাৰী ছেলজা, ৰাজবাববৰ, কানহাইয়া কুমাৰ অন্যতম।

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ সমান্তৰালভাৱে ওড়িশা বিধানসভাৰ ৪২ খন আসনৰ বাবেও আজি ভোটগ্ৰহণ সম্পন্ন হয়। ইয়াৰ উপৰি হাৰিয়ানাৰ কৰ্ণাল আৰু উত্তৰ প্ৰদেশৰ গেইন্সৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰো অন্ত পৰিছে।

oooooooo

দেশত লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন দলৰ নেতাসকলে ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত পহিলা জুনত

৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। প্ৰধান মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ বাক্সাৰ সংসদীয় সমষ্টিৰ অহিৰৌলীত এখন নিৰ্বাচনী সভাত ভাষণ দি লোকসভা নিৰ্বাচনত আই এন ডি আই মিত্ৰজোঁটৰ পতন ঘটিব বুলি দাবী কৰে। শ্ৰী মোদীয়ে কয় যে তেওঁ ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব বিচাৰে। ইয়াৰ পূৰ্বে শ্ৰী মোদীয়ে কাৰাকাটত আৰু পাতলিপুত্ৰ সংসদীয় সমষ্টিত দুখন নিৰ্বাচনী সভাত অংশ লয়। কাৰাকাতত শ্ৰী মোদীয়ে কয় যে, আই এন ডি আই মিত্ৰজোঁটৰ কোনো দৃষ্টিভংগী নাই আৰু মিত্ৰজোঁটটো বিভ্ৰান্ত লোকৰ সমষ্টি। আই এন ডি আই মিত্ৰজোঁটত নীতি নাই বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, তেওঁলোকে ভোটবেংকৰ ৰাজনীতিৰ বাবে পাকিস্তানৰ পাৰমাণৱিক বোমা থকা বুলি আৰু সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ তথা সন্ত্ৰাসবাদৰ বিষয় লৈ জনসাধাৰণক ভিতিগ্ৰস্ত কৰিব খোজে। মিত্ৰজোঁটটোৰ নেতাসকল বিভিন্ন দুৰ্নীতিত লিপ্ত আৰু সেয়েহে কেন্দ্ৰীয় সংস্থাসমূহে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, বিহাৰত লুণ্ঠন কৰা সকলক ৰেহাই দিয়া নহ'ব।

পাতলিপুত্ৰৰ জনসভাত ভাষণ দি শ্ৰী মোদীয়ে বিৰোধী জোঁট ইণ্ডিয়াৰ দলসমূহক অত্যন্ত সুবিধাবাদী আৰু পৰিয়ালতান্ত্ৰিক দলৰ সমষ্টি হিচাপে অভিহিত কৰিছে। তেওঁ লগতে বিৰোধী জোঁটক সাম্প্ৰদায়িক, জাতিগত আৰু পৰিয়ালতান্ত্ৰিক ৰাজনীতি কৰা বুলি তীব্ৰ সমালোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে  কয় যে, কংগ্ৰেছ, সমাজবাদী পাৰ্টী, নেচনেল কনফাৰেন্স, আৰ জে ডি, এন চি পি আৰু আপৰ দৰে সুবিধাবাদী দলসমূহে প্ৰধানমন্ত্ৰীৰ পদবীক **মিউজিকেল চেয়াৰ**ত পৰিণত কৰিব বিচাৰিছে।

আনহাতে আৰ জে ডি নেতা তেজস্বী প্ৰসাদ যাদৱে নালান্দা সংসদীয় সমষ্টিৰ অস্থাৱাঁত মহা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলাই বিজেপিয়ে লোকসভা নিৰ্বাচনত প্ৰকৃত বিষয়সমূহৰ পৰা জনসাধাৰণৰ মন আনফালে ঢাল খুৱাব বিচাৰিছে বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কয় যে, বিজেপি নেতাসকলৰ বক্তব্যৰ পৰা তেওঁলোকৰ হতাশা স্পষ্ট হৈ পৰিছে আৰু বিজেপি আৰু ইয়াৰ মিত্ৰ দলসমূহে পৰাজয় স্বীকাৰ কৰা যেন অনুমান হৈছে।

উত্তৰ প্ৰদেশতো সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে আজি ছালেমপুৰ, বলিয়া আৰু চান্দৌলিত দলীয় প্ৰাৰ্থীৰ হকে নিৰ্বাচনী সভাত অংশ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বিগত ১০ বছৰত প্ৰধানমন্ত্ৰীৰ নেতৃত্বত সন্ত্ৰাসবাদ আৰু নক্সালবাদ উৎখাট হৈছে। নতুন ভাৰতৰ বাবে আৰম্ভ হোৱা যাত্ৰা অভূতপূৰ্ব আৰু ইয়াক লৈ বিশ্ব আচৰ্যচকিত হৈ পৰিছে বুলি তেওঁ মন্তব্য কৰে।

ইপিনে বহুজন সমাজপাৰ্টীৰ মুৰববী মায়াৱতীয়ে আজি গৌৰখপুৰত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। বহুজন সমাজ পাৰ্টীৰ নেতৃগৰাকীয়ে কংগ্ৰেছৰ ভুল নীতি সমূহক সমালোচনা কয় যে এনে নীতিৰ বাবে দলটোৰ পটন ঘটিছে। তেওঁ লগতে পুঁজিবাদী আৰু চহকী লোকসকলক সমৰ্থন কৰা আৰু দুখীয়াসকলক আওকান কৰাৰ বাবে বিজেপিক তীব্ৰ সমালোচনা কৰে। বিনামূলীয়া ৰেচন বিতৰণ কৰি ভোট সুনিশ্চিত কৰাৰ প্ৰয়াস চলোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰকো নেত্ৰীগৰাকীয়ে সমালোচনা কৰে।

আনহাতে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰা আৰু সমাজবাদী পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি অখিলেশ যাদৱে আজি গৌৰখপুৰত অন্য এখন নিৰ্বাচনী সভাত ভাগ লয়। প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই তেওঁৰ ভাষণত কয় যে, এন ডি এ চৰকাৰৰ ভুল নীতিৰ বাবেই দেশত মুদ্ৰাস্ফীতি আৰু কৰ্মসংস্থাপনহীনতা বৃদ্ধি পাইছে আৰু জনসাধাৰণ বিভিন্ন

সমস্যাৰ সন্মুখীন হৈছে। তেওঁ কয় যে, মোদী চৰকাৰে নিজকে কৃষকসকলৰ শুভাকাংক্ষী বুলি দাবী কৰে যদিও তেওঁলোকৰ ঋণ মাফ কৰাৰ বিষয়ে মন্তব্য কৰাৰ পৰা বিৰত আছে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ গাজিপুৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। তেওঁ কয় যে কংগ্ৰেছৰ কাম পিছলৈ থোৱাত আৰু জনসাধাৰণৰ অধিকাৰ হস্তগত কৰাত বিশেষ দক্ষতা আছে। দলটোৱে দেশৰ সাহসী সৈন্যসকলক এটা পদবী, এটা পেন্সন ব্যৱস্থাৰ সুবিধাৰ পৰা বঞ্চিত কৰা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে, এন ডি এ চৰকাৰে ক্ষমতালৈ অহাৰ পাছতহে এই ব্যৱস্থা বলৱৎ হৈছে। তেওঁ লগতে অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে থকা সংৰক্ষণ কোনো কাৰণতে প্ৰভাৱিত হ'বলৈ দিয়া নহ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। শ্ৰী মোদীয়ে আজি নিশাটো বাৰানসীত কটাব আৰু কাইলৈ ৰাজ্যখনত তিনিখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

আনহাতে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱৰ পত্নী ডিম্পল যাদৱ আৰু কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই বাৰানসীত  এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

oooooooo

ভাৰতীয় অভিনেত্ৰী অনাসুয়া সেনগুপ্তা ফ্ৰান্সত অনুষ্ঠিত ৭৭ সংখ্যক কাঁ চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে পৰিগণিত হৈছে। তেওঁ **দা শ্বেমলেছ** ছবিত কৰা অভিনয়ৰ বাবে আন চাৰ্টেইন ৰিগাৰ্ড প্ৰাইজ ছেগমেণ্টত এই বঁটা লাভ কৰে। অনাসুয়াই বুলগেৰিয়াৰ চলচ্চিত্ৰ নিৰ্মাতা কনষ্টেণ্টিন বোজানোভৰ পৰিচালিত ছবিখনত ৰেণুকাৰ চৰিত্ৰত অভিনয় কৰিছিল। আনহাতে শ্যাম বেনেগালৰ **মন্থন** ছবিখনে চলচ্চিত্ৰ মহোৎসৱত বিশেষ প্ৰদৰ্শনী লাভ কৰে।

oooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, পূব-মধ্য বংগোপ সাগৰৰ ওপৰত সৃষ্টি হোৱা নিম্নচাপ আজি ঘূৰ্ণীবতাহলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা আছে। এটা বিবৃতিত বিভাগে প্ৰকাশ কৰা অনুসৰি **ৰেমাল** নামৰ এই বতাহজাকে কাইলৈ মাজনিশাৰ ভিতৰত বিপজ্জনক সাগৰীয় ধুমুহাত পৰিণত হ'ব আৰু বাংলাদেশ আৰু পশ্চিম বংগৰ উপকূল অতিক্ৰম কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত পশ্চিমবংগৰ বিভিন্ন স্থানত মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ওড়িশাৰ উত্তৰ উপকূল অঞ্চলত প্ৰবল বৰষুণৰ আগজাননী দিয়া হৈছে। একেদৰে ইয়াৰ প্ৰভাৱত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহতো প্ৰবল বৰষুণৰ সতৰ্কতা জাৰি কৰা হৈছে।

oooooooo

অলিম্পিকত পদক বিজেতা পি ভি সিন্ধুৱে কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। আগশাৰীৰ ভাৰতীয় বেডমিণ্টন খেলুৱৈগৰাকীয়ে আজি ছেমি ফাইনেলত থাইলেণ্ডৰ বুছানন অংবামৰাংফানক ১৩-২১, ২১-১৬, ২১-১২ গেমত পৰাস্ত কৰে। সিন্ধু কাইলৈ ফাইনেলত চীনৰ ঝি য়ি ৱাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৱাঙে নিজ দেশৰে য়ি মেন ঝাঙক ২১-৯, ২১-১১ পোনপটীয়া গেমত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

oooooooo

ছানৰাইজাৰ্ছ হায়দৰাবাদ কাইলৈ চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত  কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱানিশা দ্বিতীয়খন কোৱালিফায়াৰ খেলত ৰাজস্থান ৰয়েলছক ৩৬ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনহাতে কলকাতা নাইটৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি ফাইনেলত স্থান নিশ্চত কৰিছে।

০০০০০০০০

ভাৰতৰ মানুষ উৎপলভাই শ্বাহ আৰু মানৱ বিকাশ ঠক্কৰে ৰিঅ'ডি জেনেৰিঅ'ত অনুষ্ঠিত বিশ্ব টেবলটেনিছ কনটেণ্ডাৰ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। মানুষ আৰু মানৱৰ যুটীটোৱে আজি কোৱাৰ্টাৰ ফাইনেলৰ লুকাছ ৰোমানছকি আৰু ফেলিপে ডোটিৰ যুটীটো ৩-০ ফলাফলত পৰাস্ত কৰে। ভাৰতীয় যুটীটোৱে আজি সন্ধিয়া ছেমি ফাইনেলত ফ্ৰান্সৰ লিলিয়ান বাৰ্ডেট আৰু জুলছ ৰোলাণ্ডৰ সন্মুখীন হ'ব।

০০০০০০০০

সমাপ্ত